**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-OCT-2025
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***
---------------------

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে ভাৰতবৰ্ষই সম্প্ৰতি গাঁথনিগত সংস্কাৰৰ দিশত, বিশেষকৈ নিৰ্মাণ খণ্ডত পৰিৱৰ্তনমূলক যাত্ৰাত অগ্ৰসৰ হৈছে।

২। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে সকলো ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ উৎখাত কৰাৰ হকে ভাৰত আৰু আফগানিস্তানে ঐক্যবদ্ধভাৱে কাম কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰিছে।

৩। বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে আজি ১২১টা বিধানসভা সমষ্টিৰ প্ৰথম পৰ্যায়ৰ মনোনয়ন প্ৰক্ৰিয়া আৰম্ভ হৈছে।

*আৰু*

৪। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত নতুন দিল্লীত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল আজি আৰম্ভ হৈছে।

০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে ভাৰতবৰ্ষই সম্প্ৰতি গাঁথনিগত সংস্কাৰৰ দিশত, বিশেষকৈ নিৰ্মাণ খণ্ডত পৰিৱৰ্তনমূলক যাত্ৰাত অগ্ৰসৰ হৈছে। ছিডনীত অনুষ্ঠিত ভাৰত-অষ্ট্ৰেলিয়া প্ৰতিৰক্ষা, উদ্যোগ আৰু বাণিজ্য বিষয়ৰ ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰি তেওঁ লগতে কয় যে ভাৰত সম্প্ৰতি বিশ্বৰ চতুৰ্থ বৃহৎ তথা সবাতোকৈ দ্ৰুত হাৰত অগ্ৰগতি লাভ কৰা অৰ্থনীতি। দেশৰ প্ৰতিৰক্ষামূলক উৎপাদনৰ হাৰ আগৰ বছৰটোৰ তুলনাত বিগত বৰ্ষত ১৮ শতাংশ বৃদ্ধি পোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে সম্প্ৰতি এই পৰিমাণ ৫১ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে।

উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সন্ত্ৰাসবাদ আৰু আলোচনা একেলগে চলিব নোৱাৰে বুলি প্ৰকাশ কৰে। অষ্ট্ৰেলিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰিচাৰ্ড মাৰ্লছ্‌ৰ সৈতে কালি কানবেৰাত হোৱা দ্বিপাক্ষিক আলোচনাত মন্ত্ৰীগৰাকীয়ে এইদৰে মত প্ৰকাশ কৰে। তেওঁ কয়, যে সন্ত্ৰাসবাদ আৰু বাণিজ্য তথা পানী আৰু তেজ একেলগে ব'ব  নোৱাৰে। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ গভীৰ সাংস্কৃতিক সম্পৰ্ক আৰু উমৈহতীয়া গণতান্ত্ৰিক প্ৰমূল্যৰ বিষয়ে উল্লেখ কৰি শ্ৰীসিঙে কয়, যে দুয়োখন দেশৰ মাজত সৰ্বাত্মক কৌশলগত সহযোগিতাৰ বাবে প্ৰতিৰক্ষা সহযোগিতাও ভালেখিনি বৃদ্ধি পাইছে।

০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে সকলো ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ উৎখাত কৰাৰ হকে ভাৰত আৰু আফগানিস্তানে ঐক্যবদ্ধভাৱে কাম কৰাৰ বিষয়ত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত আজি আফগানিস্তানৰ বিদেশ মন্ত্ৰী আমিৰ খান মুট্টাকীৰ সৈতে অনুষ্ঠিত বৈঠকৰ আৰম্ভণিৰ ভাষণত ড০ জয়শংকৰে, বিকাশ আৰু সমৃদ্ধিৰ দিশত কৰ্মক্ষেত্ৰত আগবাঢ়ি যোৱাৰ বাবে দুয়োখন দেশৰ উমৈহতীয়া প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰে। আফগানিস্তানৰ উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত ভাৰতে গভীৰভাৱে আগ্ৰহী বুলি তেওঁ মত প্ৰকাশ কৰে। দুয়োখন দেশৰ মাজৰ পাৰস্পৰিক সহযোগিতাৰ বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি ড০ জয়শংকৰে কাবুলস্থিত ভাৰতীয় কাৰিকৰী মিছনক দুতাবাসৰ পৰ্যায়লৈ উন্নীত কৰাৰ বিষয়েও ঘোষণা কৰে।

বাইট

অনুষ্ঠানত ভাষণ দি আফগানিস্তানৰ বিদেশ মন্ত্ৰী আমিৰ খান মুট্টাকীয়ে কয় যে আফগানিস্তানে সেই দেশৰ ভূমিভাগৰ পৰা আন কোনো দেশৰ বিৰুদ্ধে সন্ত্ৰাসবাদী কাৰ্যকলাপ সংঘটিত কৰিবলৈ নিদিয়ে। দেশখনে কাহানিও ভাৰতৰ বিৰুদ্ধে কোনো ধৰণৰ মন্তব্য প্ৰকাশ কৰা নাই বুলি উল্লেখ কৰি তেওঁ কয় যে আফগানিস্তানে ভাৰতৰ সৈতে সুসম্পৰ্কৰ প্ৰতি সদায়েই গুৰুত্ব আৰোপ কৰি আহিছে।

০০০০০০

কাবুলত কালি কেইবাটাও বিস্ফোৰণৰ ঘটনা সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত পাকিস্তান আৰু আফগানিস্তানৰ মাজত উত্তেজনা পুনৰ বৃদ্ধি পাইছে। দেশখনৰ কেইবাটাও চৰকাৰী প্ৰতিষ্ঠান আৰু আবাসিক স্থলেৰে সমৃদ্ধ পূব কাবুলত সংঘটিত এই বিস্ফোৰণৰ ঘটনাৰ ফলত অঞ্চলটোত আতংকৰ পৰিবেশ সৃষ্টি হয়। তালিবানৰ প্ৰধান মুখপাত্ৰই এই আক্ৰমণৰ ঘটনাৰ বিষয়ে নিশ্চিত কৰি দি কয় যে তেওঁলোকে ইতিমধ্যে এই সন্দৰ্ভত অনুসন্ধান আৰম্ভ কৰিছে।

উল্লেখযোগ্য যে এই ঘটনাৰ আঁৰৰ কাৰণ বৰ্তমানলৈ উদঘাটন হোৱা নাই যদিও প্ৰাথমিক তথ্য অনুসৰি এয়া বিমান আক্ৰমণৰ ঘটনা বুলি সন্দেহ প্ৰকাশ পাইছে আৰু ইয়াৰ ফলত অঞ্চলটোত সংঘাত বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে।

০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে আজি ১২১টা বিধানসভা সমষ্টিৰ প্ৰথম পৰ্যায়ৰ মনোনয়ন প্ৰক্ৰিয়া আৰম্ভ হৈছে। প্ৰাৰ্থীসকলে বিয়লি ৩ বজালৈ মনোনয়ন পত্ৰসমূহ দাখিল কৰিব পাৰিব। নিৰ্বাচন আয়োগে মনোনয়ন কেন্দ্ৰসমূহৰ চৌপাশে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিবলৈ নিৰ্দেশ জাৰি কৰিছে। মনোননয় কেন্দ্ৰসমূহৰ ভিতৰত বাবে আশে পাশে ভিৰ নকৰিবলৈ নিৰ্দেশ দিয়া হৈছে। একোজন প্ৰাৰ্থীৰ সৈতে কেৱল ৩ খন বাহন আৰু প্ৰস্তাৱককে ধৰি নূন্যতম ৫ জন লোকক প্ৰৱেশৰ অনুমতি দিয়া হৈছে। সমগ্ৰ মনোনয়ন প্ৰক্ৰিয়া ভিডিঅ' কৰা হৈছে।

বিহাৰত প্ৰথম পৰ্যায়ত অহা ৬ নৱেম্বৰত পাটনা, দাৰভাংগা, মাধেপুৰা, ছহৰ্ছ, মুজাফফৰপুৰ, গোপালগঞ্জ, শিৱান, চৰন, বৈশালী, সমষ্টিপুৰা, বেগুচৰাই, লক্ষীচৰাই, মুংগৰ, শ্বেখপুৰা, নালন্দা, বক্সাৰ আৰু ভোজপুৰকে ধৰি উত্তৰ আৰু দক্ষিণ বিহাৰৰ জিলাসমূহত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ১৭ অক্টোবৰ প্ৰথম পৰ্যায়ৰ মনোনয়ন দাখিল অন্তিম দিন। ১৮ অক্টোবৰত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ২০ অক্টোবৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে এন ডি এৰ আসন বিতৰণ সন্দৰ্ভত আজি বুজাবুজি হোৱাৰ সম্ভাৱনা আছে। বিজেপিৰ নিৰ্বাচনী তত্বাৱধায়ক তথা কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পাটনাত এন ডি এৰ সহযোগী বিভিন্ন দলৰ সৈতে আসন বুজাবুজি সন্দৰ্ভত পৃথকে পৃথকে বৈঠক অনুষ্ঠিত কৰিব। এই বৈঠকৰ পাছতে অহা দুই-তিনি দিনৰ ভিতৰত আসনৰ ভাগ-বটোৱাৰা সন্দৰ্ভত আনুষ্ঠানিক ঘোষণা কৰাৰ সম্ভাৱনা আছে।

বিজেপিয়ে আসন বুজাবুজি সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী জিতন ৰাম মাঝি নেতৃত্বাধীন হিন্দুস্তানী আম মৰ্চা, উপেন্দ্ৰ কুশ্বৰাহা নেতৃত্বাধীন ৰাষ্ট্ৰীয় লোক মৰ্চা আৰু ৰামবিলাস পাছোৱানৰ লোক জনশক্তি দলৰ সৈতে এন ডি এৰ সহযোগী দলসমূহৰ মাজত আসন বুজাবুজিৰ পাছত বিজেপি আৰু জে ডি ইউয়ে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া আসনসমূহৰ সংখ্যা চূড়ান্ত কৰিব।

ইপিনে, আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱে যোৱা নিশা বিকাশশীল ইন্চান পাৰ্টীৰ সভাপতি মুকেশ ছাহানিৰ সৈতে আলোচনাত মিলিত হয়। বিৰোধী জোঁটে বাও দল আৰু মুকেশ ছাহানিৰ দলক আসন দিয়াৰ ক্ষেত্ৰত এতিয়াও কোনো সিদ্ধান্তত উপনীত হোৱা নাই। চি পি আই আৰু চি পি এমৰ সাধাৰণ

সম্পাদকদ্বয়ে আসন ভাগ-বটোৱাৰা সন্দৰ্ভত সিদ্ধান্ত ল'বলৈ পাটনাত বাহৰ পাতিছে। আজি জ্যেষ্ঠ কংগ্ৰেছ নেতা আৰু আৰ জে ডিৰ সভাপতি লালু প্ৰসাদ যাদৱৰ সমাগত বিহাৰ নিৰ্বাচন সন্দৰ্ভত আসনৰ ভাগ-বটোৱাৰা ব্যৱস্থাৰ বিষয়ে আলোচনা হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী ধন-ধান্য যোজনা আৰু মাহ জাতীয় শস্য অভিযানত আত্মনিৰ্ভৰশীলতাৰ দৰে পদক্ষেপ লোৱা হৈছে বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ভাৰতীয় কৃষি বিজ্ঞান প্ৰতিষ্ঠানৰ চৌহদৰ পৰা প্ৰধানমন্ত্ৰী ধন-ধান্য যোজনা আৰু মাহ জাতীয় শস্য অভিযানত আত্মনিৰ্ভৰশীলতা অভিযান মুকলি কৰিব। দূৰদৰ্শনৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত কেন্দ্ৰীয় কৃষি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী ধন-ধান্য যোজনাৰ অধীনত চৰকাৰে ১০০ খন কম শস্য উৎপাদিত জিলা চিনাক্ত কৰিব আৰু এই জিলাসমূহত উৎপাদন বৃদ্ধিৰ বাবে ব্যৱস্থা ৰূপায়ণ কৰিব। তেওঁ কয়, যে এনে জিলাসমূহৰ কৃষকসকলে জলসিঞ্চন আৰু ঋণৰ সুবিধা লাভ কৰিব। কম শস্য উৎপাদিত জিলাসমূহত উৎপাদন ক্ষমতা বৃদ্ধি হ'লে ৰাষ্ট্ৰীয় উৎপাদন বৃদ্ধি হোৱাৰ উপৰি কৃষকসকলৰ আয় বৃদ্ধি হ'ব বুলি শ্ৰীচৌহানে প্ৰকাশ কৰে। ভাৰত মাহজাতীয় শস্য সৰ্বাধিক উৎপাদনকাৰী দেশ  আৰু সৰ্বাধিক আমদানী কৰা দেশ বুলি উল্লেখ কৰি শ্ৰীচৌহানে কয়, যে মাহজাতীয় শস্যৰ উৎপাদন আৰু ইয়াৰ খেতি কৰাৰ অঞ্চল বৃদ্ধি কৰাৰ বাবে এই অভিযান আৰম্ভ কৰা হৈছে।

০০০০০০

বিধি বলবৎকাৰী সঞ্চালকালয় ই ডিয়ে পশ্চিম বংগৰ পৌৰ নিযুক্তি কেলেংকাৰি সন্দৰ্ভত ৰাজ্যখনৰ এগৰাকী মন্ত্ৰী সুজিত বোসৰ মালিকানাধীন গৃহকে ধৰি মুঠ ১১টা স্থানত তালাচী অভিযান চলাইছে। কেন্দ্ৰীয় অনুসন্ধানকাৰী ব্যুৰো চি বি আইৰ এখন এজাহাৰৰ ভিত্তিত ই ডিয়ে এই অভিযান চলায়। উল্লেখযোগ্য যে কেৱল বিদ্যালয়ৰ শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰতেই নহয়, বৰঞ্চ পশ্চিম বংগৰ পৌৰ নিগমসমূহৰ কেইবাটাও পদত নিযুক্তিক কেন্দ্ৰ কৰি এই কেলেংকাৰি সংঘটিত হৈছিল বুলি উল্লেখ কৰি সঞ্চালকালয়ে দাখিল কৰা এজাহাৰত প্ৰকাশ পোৱাৰ পৰিপ্ৰেক্ষিতত কলকাতা উচ্চ ন্যায়ালয়ে এই সন্দৰ্ভত গোচৰ ৰুজু কৰিবলৈ নিৰ্দেশ দিছিল।

০০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত নতুন দিল্লীত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল আজি আৰম্ভ হৈছে। ভাৰতে প্ৰথমে বেটিং কৰি এই বাতৰি লিখাৰ পৰলৈকে এটা উইকেট হেৰুৱাই ১৯৮ ৰাণ সংগ্ৰহ কৰিছে। ভাৰতৰ অ'পেনাৰ যশস্বী জয়ছৱালে শতৰাণ সম্পূৰ্ণ কৰিছে।

আহমেদাবাদত অনুষ্ঠিত প্ৰথমখন টেষ্টত ভাৰত এক ইনিংছ আৰু ১৪০ ৰানত বিজয়ী হৈছিল। আন এটা জয়েৰে শৃংখলাত ক্লীন ছুইপৰ লক্ষ্যৰে শুভমন গীল নেতৃত্বাধীন ভাৰতীয় দলটো টেষ্টত অৱতীৰ্ণ হৈছে। চলিত মাহৰ শেষৰ ফালে অষ্ট্ৰেলিয়াত হ'বলগীয়া এদিনীয়া আৰু টি-২০ খেলসমূহৰ বাবে এই খেলখন গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হোৱাৰ লগতে অহা মাহত ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'বলগীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০০০

সমাপ্ত